**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 19-02-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

----------------------------

## *Headlines*

১। ২০২৮ চনৰ ভিতৰত অসম ১০ লাখ কোটি টকাৰ অৰ্থনীতিত উপনীত হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ বিধানসভাত প্ৰকাশ।

২। দুদিনীয়া কাৰ্যসূচীৰে কংগ্ৰেছ নেত্ৰী তথা অসম প্ৰদেশ কংগ্ৰেছৰ নিৰীক্ষণ কমিটীৰ অধ্যক্ষা প্ৰিয়ংকা গান্ধীৰ অসম ভ্ৰমণ।

৩। তেজপুৰত আজি ছহেজাৰ ৫৬১ গৰাকী উদ্যোগীৰ মাজত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ ধন বিতৰণ।

আৰু

৪। নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত বিচৰাধীন ২৩৭ গোচৰৰ আজি শুনানি।

০০০০০০০

২০২৮ চনৰ ভিতৰত অসম ১০ লাখ কোটি টকাৰ অৰ্থনীতিত উপনীত হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। পঞ্চদশ অসম বিধানসভাৰ বাজেট অধিৱেশনৰ আজি অন্তিমদিনা ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সম্পৰ্কীয় বিতৰ্কৰ উত্তৰ দি ডঃ শৰ্মাই কয়, যে ৫ বছৰত অসমৰ অৰ্থ ব্যৱস্থাৰ বিকাশৰ হাৰ ৪৫ শতাংশ হৈছে আৰু অসম দেশৰ আটাইতকৈ বিকশিত অৰ্থনীতিৰ ৰাজ্য হিচাপে পৰিগণিত হৈছে। তেওঁ লগতে নিৰ্বাচনৰ পূৰ্বে শিক্ষা বিভাগত ৫ হাজাৰ নতুন নিযুক্তি দিয়া হ'ব বুলি ঘোষণা কৰে। তেওঁ কয়, যে ১০ দিনৰ ভিতৰত কপিলী জলবিদ্যুৎ প্ৰকল্প মুকলি হ'ব। এই প্ৰকল্পত ১৫০ মেগাৱাট বিদ্যুৎ উৎপাদন হ'ব। কাৰ্বি লাম্পিত ২৫ মেগাৱাট উৎপাদনক্ষম জলবিদ্যুৎ প্ৰকল্পৰ কাম আৰম্ভ হোৱা বুলি ডঃ শৰ্মাই ঘোষণা কৰে। মুখ্যমন্ত্ৰী শৰ্মাই লগতে চলিত কাৰ্যকালৰ অন্তিমখন বিধানসভা অধিৱেশনত শাসক আৰু বিৰোধী দলৰ সকলো সদস্যকে সমাগত বিধানসভা নিৰ্বাচনৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। তদুপৰি তেওঁ বিভিন্ন বিভাগৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদনো দাখিল কৰে।

বিধানসভাত আজি লেখানুদান সন্দৰ্ভত আলোচনা আৰু ভোটদান অনুষ্ঠিত হ'ব। শাসক আৰু বিৰোধী উভয় পক্ষই এই আলোচনাত অংশগ্ৰহণ কৰিব। বিত্তমন্ত্ৰী অজন্তা নেওগে লেখানুদান সন্দৰ্ভত প্ৰশ্নসমূহৰ উত্তৰ দিব।

বিধানসভাত আজি অসম বিনিয়োজন লেখানুদান বিধেয়ক ২০২৬-২৭, অসম মূল্য সংযোজন কৰ সংশোধনী বিধেয়ককে ধৰি কেইবাখনো বিধেয়ক উত্থাপন কৰা হ'ব।

০০০০০০০

ৰাজ্যত ৫ লাখ ৭৫ হাজাৰ লোকে এইবেলি প্ৰথমবাৰৰ বাবে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিব। ভোটগ্ৰহণ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে ৰাজ্যত ৩১ হাজাৰ ৪৮৬ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হ'ব। ইয়াৰে ২৭ হাজাৰ ৭১১ টা গ্ৰামাঞ্চলৰ আৰু ৩ হাজাৰ ৭৭৫ টা নগৰ অঞ্চলৰ। আটাইকেইটা ভোটগ্ৰহণ কেন্দ্ৰতে ৱেবকাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব। ৩ হাজাৰ ৭১৬ টা কেন্দ্ৰ মহিলাই

পৰিচালনা কৰিব। কোনো কেন্দ্ৰত এহেজাৰ দুশতকৈ অধিক ভোটদাতা নাথাকিব। এইবাৰৰ বিধানসভা নিৰ্বাচনত ভোটদানৰ হাৰ বৃদ্ধিৰ বাবে ভালেমান নতুন ব্যৱস্থা  গ্ৰহণ কৰা হৈছে। সেই অনুসৰি ভোটদাতাসকলে ভোটগ্ৰহণ কেন্দ্ৰলৈ মোবাইল ফোন লৈ যাব পাৰিব আৰু প্ৰতিটো কেন্দ্ৰত মোবাইল ফোন ৰখাৰ বিশেষ ব্যৱস্থা থাকিব। ৰাজ্যৰ আসন্ন বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লৈ কালি মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে সাংবাদিকৰ আগত এই কথা  প্ৰকাশ কৰে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে কয় যে আয়োগে নিৰ্দিষ্ট সময়ত বিধানসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰিব। তেওঁ কয় যে অধিকাংশ ৰাজনৈতিক দলে এটা অথবা সৰ্বাধিক দুটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত কৰাৰ বাবে অনুৰোধ জনাইছে। ৰাজনৈতিক দলসমূহে লগতে ব'হাগ বিহুৰ পূৰ্বে নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ দাবী জনাইছে বুলিও তেওঁ মন্তব্য কৰে।

বাইট

ooooooo

দুদিনীয়া কাৰ্যসূচীৰে কংগ্ৰেছ নেত্ৰী তথা অসম প্ৰদেশ কংগ্ৰেছৰ নিৰীক্ষণ কমিটীৰ অধ্যক্ষা প্ৰিয়ংকা গান্ধী আজি গুৱাহাটীত উপস্থিত হয়। কংগ্ৰেছ নেত্ৰীগৰাকীক বৰঝাৰ বিমান বন্দৰত দলীয় নেতা-কৰ্মীসকলে আদৰণি জনায়। সাংসদ গান্ধীয়ে বৰঝাৰ বিমান বন্দৰৰ পৰা পোনে পোনে কামাখ্যা মন্দিৰলৈ ৰাওনা হয়। নেত্ৰীগৰাকী সম্প্ৰতি ৰাজীৱ ভৱনত দলীয় কাম-কাজত ব্যস্ত আছে। তেওঁ আজি কংগ্ৰেছৰ কাৰ্যকৰ্তাসকলৰ সৈতেও বৈঠকত মিলিত হ'ব। কৰ্ণাটকৰ উপ-মুখ্য মন্ত্ৰী তথা জ্যেষ্ঠ কংগ্ৰেছ নেতা ডি কে শিৱকুমাৰেও আজি  গুৱাহাটীত উপস্থিত হৈ কামাখ্যা মন্দিৰত সেৱা লয়।

ইপিনে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ তিনিদিনীয়া ভ্ৰমণসূচীৰে আজি অসমত উপস্থিত হ'ব। শ্ৰীশ্বাহে আজি নিশাটো শিলচৰত কটোৱাৰ পাছত কাইলৈ কাছাৰ জিলাৰ দুটা কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে কাইলৈ দিনৰ চাৰে ১০ বজাত নাথানপুৰৰ সীমান্ত চকী পৰিদৰ্শন কৰাৰ লগতে সীমামূৰীয়া অঞ্চলটোত গছপুলি ৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ দিনৰ ১১ বজাত জিলাখনৰ ভাৰত-বাংলাদেশ সীমান্তৰ নাথানপুৰ গাঁৱত আয়োজিত ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। কাইলৈ তেওঁ ত্ৰিপুৰা ভ্ৰমণ কৰি আগৰতলাত থকা ইন্দোৰ প্ৰদৰ্শনী কেন্দ্ৰত আয়োজিত ভাষা সন্মিলন কাৰ্যসূচীতো অংশ ল'ব। ইয়াৰ পাছত পৰহিলৈ তেওঁ গুৱাহাটীৰ সৰুসজাইত চি আৰ পি এফৰ প্ৰতিষ্ঠা দিৱস কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা। তেওঁ লগতে সোণাপুৰৰ কচুতলীত দশম অসম আৰক্ষী বেটেলিয়নৰ নতুন ছাউনীৰ আধাৰশিলা স্থাপন কৰিব। গৃহমন্ত্ৰীগৰাকীৰ সোণাপুৰ ভ্ৰমণৰ পূৰ্বে কালি নিশা ১২ বজাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মন্ত্ৰী পীযুষ হাজৰিকাক লগত লৈ কচুতলীৰ অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। গৃহমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণকালত বিজেপিৰ নিৰ্বাচনকেন্দ্ৰিক মিত্ৰতা সন্দৰ্ভত চূড়ান্ত আলোচনা হোৱাৰ সম্ভাৱনা আছে।

ooooooo

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি শোণিতপুৰ, বিশ্বনাথ আৰু দৰং জিলাৰ মুঠ ৬ হাজাৰ ৫৬১ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। এই উপলক্ষে তেজপুৰৰ গড়দৌল কুমাৰগাঁৱত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আদি বিভাগৰ মন্ত্ৰী অশোক সিংহলেও অংশগ্ৰহণ কৰিব।

আনহাতে, এই আঁচনিৰ অধীনত কাইলৈ কাচাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাৰ মুঠ ৭ হাজাৰ ২৭৩ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। এই উপলক্ষে শিলচৰৰ ৰামনগৰৰ আই এছ বি টিত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তদুপৰি উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান আদি বিভাগৰ মন্ত্ৰী বিমল বৰা, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, বৰাক উপত্যকা উন্নয়ন আদি বিভাগৰ মন্ত্ৰী কৌশিক ৰায় আৰু পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালেও এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

০০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলে নিৰ্বাচনকেন্দ্ৰিক আলোচনা অব্যাহত ৰাখিছে। ৰাজনৈতিক দলসমূহৰ শীৰ্ষ নেতৃত্বৰ ৰাজ্যখনলৈ আগমনে তৎপৰতা বৃদ্ধি কৰিছে। বিজেপিৰ নৱনিৰ্বাচিত ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন কালি দুদিনীয়া কাৰ্যসূচীৰে অসমত উপস্থিত হয়। ভ্ৰমণকালত কালি তেওঁ ডিব্ৰুগড়ৰ মানকটা খেলপথাৰত ৰাজ্যিক বিজেপিয়ে আয়োজন কৰা পৃষ্ঠাপ্ৰমুখ সন্মিলনত ভাগ লয়। সভাপতিগৰাকী আজি পুৰা মনোহাৰী চাহ বাগিচাত উপস্থিত হয়। এই ভ্ৰমণকালত ৰাষ্ট্ৰীয় সভাপতিগৰাকীক ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ তথা কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জল পৰিবহণ বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিজেপিৰ ৰাষ্ট্ৰীয় সম্পাদক, সাংসদ কামাখ্যা প্ৰসাদ তাচা, ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, ৰাজ্যিক প্ৰভাৰী হৰিশ দ্বিবেদী, অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী বিমল বৰাকে ধৰি বহুকেইগৰাকী দলীয় কৰ্মকৰ্তা, বিষয়ববীয়াই লগ দিয়ে। সভাপতিগৰাকীয়ে আজি ডিব্ৰুগড়ৰ পৰা তিনিচুকীয়া জিলালৈ ৰাওনা হৈছে আৰু তাত কেইবাখনো দলীয় সভাত অংশগ্ৰহণ কৰাৰ লগতে কেইবাটাও স্থান পৰিদৰ্শন কৰিব।

০০০০০০০

নাগৰিকত্ব সংশোধনী আইন, ২০১৯-ৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত বিচাৰাধীন ২৩৭ টা গোচৰৰ শুনানি আজি অনুষ্ঠিত হ'ব। মুখ্য ন্যায়াধীশ সূৰ্যকান্ত, ন্যায়াধীশ জয়মাল্য বাগ্চি আৰু ন্যায়াধীশ বিপুল এম পাঞ্চালীৰ তিনিজনীয়া বিচাৰপীঠে এই শুনানি গ্ৰহণ কৰিব। ২০২৪ চনৰ ১৯ মাৰ্চত তদানীন্তন মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, ন্যায়াধীশ জে বি পাৰ্ডিৱালা আৰু ন্যায়াধীশ মনোজ মিশ্ৰৰ তিনিজনীয়া বিচাৰপীঠত হোৱা শুনানিৰ পাছত এই গোচৰসমূহৰ শুনানি অনুষ্ঠিত হোৱা নাছিল। অসম সন্মিলিত মহাসংঘ, সদৌ অসম ছাত্ৰ সন্থা, উত্তৰ-পূৰ্বাঞ্চল ছাত্ৰ সন্থাকে ধৰি কেইবাটাও সংগঠনে নাগৰিকত্ব সংশোধনী আইনৰ প্ৰত্যাহ্বান জনাইছিল। সংগঠনকেইটাৰ নেতৃবৰ্গৰ ইতিমধ্যে এই শুনানিৰ বাবে নতুন দিল্লীত উপস্থিত হৈছে।

০০০০০০০

**সমাপ্ত**